**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
Date : 06-03-2026 **Time :** 1100 Hrs.

কাৰ্বি আংলং জিলাৰ বোকাজান মহকুমাৰ চকিহোলা থানাৰ অন্তৰ্গত ইংলং ইকপি পাহাৰত কালি সন্ধিয়া দুৰ্ঘটনাত পতিত ছুখয় 30 MKI শ্ৰেণীৰ যুঁজাৰু বিমানখনৰ সন্ধানহীন চালক দুজনৰ মৃত্যু হোৱা বুলি বায়ুসেনা বাহিনীয়ে নিশ্চিত কৰিছে। নিয়মীয়া অনুশীলনৰ সময়তে দুৰ্ঘটনাগ্ৰস্ত হোৱা বিমানখনৰ চালক স্কোৱাৰ্ডন লীডাৰ অনুজ আৰু ফ্লাইট লেফ্‌টেনেণ্ট পুৰ্বেশ দুৰাকাৰৰ মৃত্যুৰ বাতৰি বায়ুসেনাই সামাজিক মাধ্যমৰ জৰিয়তে সদৰি কৰিছে। ঘটনাটোত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গভীৰ শোকপ্ৰকাশ কৰিছে। ভাৰতীয় বায়ুসেনা বাহিনীয়ে তেওঁলোকৰ X হেণ্ডেল যোগে কালি সন্ধিয়া ৭ বাজি ৪২ মিনিটৰ পৰা যুঁজাৰু বিমানখনৰ সৈতে ৰাডাৰৰ যোগাযোগ বিচ্ছিন্ন হোৱা বুলি সদৰী কৰি উদ্ধাৰ অভিযান অব্যাহত ৰাখিছিল। অৱশ্যে এই দুৰ্ঘটনাৰ কাৰণ সন্দৰ্ভত এতিয়াও সবিশেষ কোনো তথ্য লাভ কৰিব পৰা হোৱা নাই। পাহাৰত খুন্দা মৰাৰ ফলতেই বিমানখন দুৰ্ঘটনাত পতিত হয় বুলি স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰিছে।

০০০০০০০

ৰাজ্যজুৰি ৪০ লাখ পৰিয়ালৰ আৰ্থিক আৰু সামাজিক সৱলীকৰণৰ উদ্দেশ্যেৰে ৰাজ্য চৰকাৰে ১০ মাৰ্চত অৰুণোদয় আঁচনিৰ তৃতীয় সংস্কৰণৰ ৰূপায়ণ কৰিব। এই আঁচনিৰ জৰিয়তে মুঠ তিনি হাজাৰ ৬০০ কোটি টকা ব্যয়েৰে ৪০ লাখ পৰিয়ালক ৯ হাজাৰ টকাকৈ একত্ৰ ধনৰাশি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। গাঁও পঞ্চায়ত, নগৰাঞ্চলৰ ৱাৰ্ড, গাঁও পৰিষদ উন্নয়ন সমিতি, গাঁও উন্নয়ন সমিতি আৰু স্বায়ত্ব শাসিত পৰিষদ সমষ্টিৰ পাঁচটা পৰ্যায়ত একেলগে তিনি হাজাৰ ৮০০ ৰো অধিক ৰাজহুৱা অনুষ্ঠানৰ আয়োজনেৰে ১০ মাৰ্চত লাভালাভ হস্তান্তৰৰ জৰিয়তে সমাজ কল্যাণৰ দিশত যুগান্তকাৰী পদক্ষেপ লোৱা হ'ব বুলি ৰাজ্য চৰকাৰে এখন বিজ্ঞপ্তি যোগে সদৰি কৰিছে।

০০০০০০০

ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ পাঁচদিনীয়া দৌল মহোৎসৱৰ আজি সামৰণি পৰিব। বৰপেটা সত্ৰৰ লগতে জিলাখনৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো আয়োজন কৰা দৌল মহোৎসৱৰো আজি সামৰণি পৰিব। দুই মাৰ্চৰ সন্ধিয়া গন্ধযাত্ৰাৰে আৰম্ভ হোৱা এই উৎসৱৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বৈষ্ণৱ সংস্কৃতিৰ অন্যতম প্ৰাণ কেন্দ্ৰ বৰপেটা জিলাৰ আকাশ-বতাহ কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে মুখৰ হৈ উঠে। জিলাখনত দৌল উৎসৱৰ শেষৰ দিনটোৰ কাৰ্যসূচী সন্দৰ্ভত এয়া আমাৰ বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্ত –

বাইট

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাতো গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা দৌল উৎসৱৰো আজি সামৰণি পৰিব।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰতো দুই মাৰ্চৰ সন্ধিয়া মেযদাহ পৰ্বৰে আৰম্ভ হোৱা দৌল উৎসৱৰ আজি অন্তিম দিন। ফল্গুৎসৱৰ পাঁচ দিনীয়া কাৰ্যসূচীৰ অংশ হিচাপে গোৱালপাৰা জিলাৰো বিভিন্ন ঠাইত কালি বিয়লি পৰম্পৰাগত ৰীতি-নীতিৰে সুৱেৰী উৎসৱ পালন কৰা হয়। দৌল উৎসৱৰ অংশ হিচাপে পালন কৰা এই উৎসৱত বিভিন্ন ঠাইৰ পৰা কলিয়া গোসাঁইক আনি এটা নিৰ্দিষ্ট স্থানত ৰখা হয় আৰু নাম-প্ৰসংগৰ জৰিয়তে গোসাঁইৰ আশীষ লোৱা হয়। এই উৎসৱত সকলোৱে এজন আনজনক ফাকু ছটিয়াই দুখ-বেদনা দূৰ হোৱাৰ কামনা কৰে। জিলাখনৰ বগুৱান, টিলাপাৰা, বাপুজীনগৰ আদি ঠাইত সুৱেৰী উৎসৱত সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড$^{০}$ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ জীৱন ফুকন নগৰত নতুনকৈ নিৰ্মাণ কৰা ভাৰতীয় জনতা পাৰ্টীৰ উজনি অসমৰ মাণ্ডলিক কাৰ্যালয় উদ্বোধন কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দলৰ ৰাজিক সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক প্ৰভাৰী ৰবীন্দ্ৰ ৰাজুকে ধৰি কেইবাগৰাকীও মন্ত্ৰী-বিধায়ক আৰু কৰ্মকৰ্তাসকল উপস্থিত থাকিব। ০০০০০০০

**সমাপ্ত**